# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-06-2025 **Time :** 0900Hrs.

## Assamese Morning Bulletin
## Headlines
**000000**

১। ৰাজ্যত বনাঞ্চল ধ্বংসৰ কাৰ্যকলাপ কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে নিৰীক্ষণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ সামান্য উন্নতি। বিভিন্ন নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত ১৯ খন জিলা এতিয়াও বানৰ কবলত।

৩। বানত ক্ষতিগ্ৰস্ত বন্যপ্ৰাণীক উদ্ধাৰৰ বাবে কাজিৰঙাৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰসংস্থাপন কেন্দ্ৰৰ উদ্যোগত হেল্পলাইন নম্বৰ মুকলি।

৪। অসম-অৰুণাচল সীমান্তত ইউথেলিয়া মালাকানা নামৰ বিৰল প্ৰজাতিৰ পখিলাৰ সন্ধান।

*আৰু*

৫। ভাৰতৰ চিৰাগ ছেট্টি আৰু সাত্বিক সাইৰাজৰ ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

0000000

ৰাজ্যত বন ধ্বংসৰ কাৰ্যকলাপ কৃত্ৰিম বুদ্ধিমত্তা - এ আইৰ জৰিয়তে নিৰীক্ষণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত ঘোষণা কৰে। কৃত্ৰিম বুদ্ধিমত্তা আৰু কৃত্ৰিম উপগ্ৰহৰ সহায়ত বন ধ্বংস আৰু বনভূমিৰ ক্ষতি আদি বাস্তৱসন্মত সময়ত চাব পৰাকৈ এটা পৰ্টেল মুকলি কৰি ডঃ শৰ্মাই কয়, যে এই প'ৰ্টেলৰ জৰিয়তে বনভূমি ধ্বংসৰ বিষয়ে সঠিক সময়ত ব্যৱস্থা ল'ব পৰাকৈ তথ্য লাভ কৰিব পৰা যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিৱেশ সুৰক্ষাৰ দিশত সহায় হ'ব পৰাকৈ বন বিভাগৰ ১২৯ খন বাহনৰ ফ্লেগ অফ কৰে। তেওঁ অসম বন সুৰক্ষা বাহিনীৰ তিনিটা বেটেলিয়নৰ সুৰক্ষা কৰ্মীসকলক অস্ত্ৰও প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক নিষিদ্ধকৰণৰ পদক্ষেপক আগুৱাই নিবলৈ ৰাজ্য চৰকাৰ তৎপৰ হৈছে বুলি মন্তব্য কৰে। তেওঁ অসম চৰকাৰ আৰু অইল ইণ্ডিয়াই যৌথভাৱে ডিব্ৰুগড়, তিনিচুকীয়া, শিলচৰ, তেজপুৰ আৰু গুৱাহাটীত জৈৱ ইন্ধন প্ৰস্তুত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও জানিবলৈ দিয়ে। এই প্ৰকল্পৰ কাৰণে প্লাষ্টিক সংগ্ৰহ কৰি দিব পৰা যাব বুলিও মুখ্যমন্ত্ৰী ডঃ শৰ্মাই মন্তব্য কৰে। তেওঁ ২০২৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা নিজ মাতৃৰ নামত এটি গছপুলি ৰোপণৰ পদক্ষেপে বনানিকৰণৰ দিশত তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন সম্ভৱ কৰিছে বুলি মন্তব্য কৰে।

(বাইট)

0000000

কেৱল পৰিৱেশ দিৱসৰ দিনাখনেই নহয় বছৰটোৰ প্ৰতিটো দিনেই পৰিৱেশ ৰক্ষাৰ বাবে কাম কৰি যোৱা অবিভক্ত শোণিতপুৰ জিলাৰ এজন পৰিৱেশ কৰ্মী হৈছে বিশ্বনাথৰ কুমুদ বৰুৱা। পেচাত এগৰাকী জ্যেষ্ঠ

অধিবক্তা বৰুৱাই বিশ্বনাথ নগৰখনত প্ৰায় ১০ হাজাৰ গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰি নগৰখনক সেউজ কৰি ৰখাত যথেষ্ট অৰিহনা যোগাইছিল। তেজপুৰ নগৰতো তেওঁ ৰোপণ কৰা ভালেসংখ্যক গছ-লতা এতিয়া জাতিষ্কাৰ হৈ উঠিছে। গছপুলি ৰোপণৰ বাবেই তেওঁ নিজৰ ভূমি আৰু বাহনো বিক্ৰী কৰি ধনৰ যোগাৰ কৰিছিল। ২০২৩ চনত এটা পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ বৰ্তমান শয্যাশায়ী হোৱা এই নিৰৱ প্ৰকৃতিপ্ৰেমীজনক পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি নতুন দিল্লীৰ স্বেচ্ছাসেৱী সংগঠন কেয়াৰ লুইত আৰু বিশ্বনাথৰ উত্তৰ চাৰিআলি সন্মিলিত মঞ্চই বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০০০

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ সামান্য উন্নতি হৈছে যদিও বিভিন্ন নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত ১৯ খন জিলাৰ ভালেমান অঞ্চল এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনত ৫ লাখ ৬০ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ ফলত বছৰৰ প্ৰথমটো বানত ৰাজ্যখনত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৬ লৈ বৃদ্ধি পাইছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৯০টা আশ্ৰয় শিবিৰত ৪১ হাজাৰ ৩১৭ জনৰো অধিক লোকে আশ্ৰয় লৈ আছে। বানৰ ফলত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। শিলচৰত বান পৰিস্থিতি পূৰ্বৰ তুলনাত কিছু উন্নত হৈছে। জিলাখনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আমাৰ সংবাদদাতা আঁখীৰাণী দাসে এইদৰে জনাইছে–

বাইট

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি উত্তৰ গুৱাহাটীত বান ক্ষতিগ্ৰস্ত লোকসকলক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লয়। ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে আশ্ৰয়গৃহৰ ব্যৱস্থা কৰাৰ উপৰি প্ৰয়োজনীয় সাহায্য প্ৰদানৰ দিহা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। বানৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত ৰাজ্যখনত পাতলীয়াৰ পৰা বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত আৰু নগাঁও জিলা সাহিত্য সভা, মৰিগাঁও আৰু হোজাই জিলা সাহিত্য সভাৰ সহযোগত নগাঁৱত আজিৰে পৰা তিনিদিনীয়াকৈ লেখক শিবিৰৰ আয়োজন কৰা হৈছে। কবিতা, গল্প, উপন্যাস আৰু নাট্য সাহিত্যৰ মনোগ্ৰাহী অনুষ্ঠানেৰে এই শিবিৰ নগাঁও জিলা পুথিভঁৰাল, কমলাদেৱী তোদী স্মৃতিভৱন আৰু নগাঁও সাংস্কৃতিক প্ৰকল্পত আয়োজন কৰা হৈছে। এই অনুসৰি আজি অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধনী অনুষ্ঠান সঞ্চালনা কৰিব। অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, নাগালেণ্ডৰ কবি, সাংবাদিক মনালিছা ছাংকিজা আৰু সভাৰ প্ৰাক্তন সভাপতি ডঃ সূৰ্যকান্ত হাজৰিকা উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া কবিতা অধিৱেশন দুখন ৰাজীৱ বৰা আৰু ডঃ মঞ্জু লস্কৰে উদ্বোধন কৰিব। বিয়লিৰ ভাগত ছুটী গল্প বিষয়ৰ প্ৰথমখন বৈঠক শিৱানন্দ কাকতিয়ে উদ্বোধন কৰিব। ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই দ্বিতীয়খন বৈঠক সঞ্চালনা কৰিব। নগাঁও জিলা পুথিভঁৰালত উপন্যাস বিষয়ৰো এখন বৈঠক অনুষ্ঠিত হ'ব।

০০০০০০

বানত ক্ষতিগ্ৰস্ত বন্যপ্ৰাণীক উদ্ধাৰৰ বাবে কাজিৰঙাৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰসংস্থাপন কেন্দ্ৰৰ উদ্যোগত হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজে বিপদত পৰা বন্যপ্ৰাণী দেখিলে কেন্দ্ৰটোৰ হেল্পলাইন নম্বৰ ৬৯০১৮৬৪৯০০ত খবৰ দিব পাৰিব। তদুপৰি বানৰ সময়ছোৱাত সৰ্বাধিক ক্ষতি হোৱা পহু যদি কোনো অঞ্চলত আবদ্ধ হৈ থাকে তেন্তে তাক ধৰিবলৈ চেষ্টা নকৰিবলৈ কেন্দ্ৰটোৰ চিকিৎসকসকলে আহ্বান জনায়। উল্লেখযোগ্য যে বৰ্তমানলৈকে কেন্দ্ৰটোত বৰ্তমান এনিমেল কীপাৰ আৰু ছগৰাকী চিকিৎসক ২৪ ঘণ্টাই নিয়োজিত হৈ আছে। বানৰ সময়ছোৱাত চাৰিটা ভাগত বিভক্ত হৈ সেৱা আগবঢ়োৱা কেন্দ্ৰটোৱে প্ৰয়োজন সাপেক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পশু চিকিৎসকসকলক নিয়োগ কৰিব বুলিও জনাইছে।

০০০০০০০

অসমৰ ২০০ বছৰীয়া চাহৰ ইতিহাস অধ্যয়নৰ বাবে জাপানৰ ৭ গৰাকী মহিলা গৱেষকৰ এটা দল তিনিচুকীয়া জিলাৰ লিডুৰ ঐতিহাসিক বিছা গাঁৱত উপস্থিত হৈছে। দলটোৱে অসমৰ চাহ শিল্পৰ আদিভূমি বিছা গাঁৱত উপস্থিত হৈ বিছাৰজাৰ বাসগৃহ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে ২০০ বছৰৰ পূৰ্বে লিডু বিছা গাঁৱৰ ছিংফ' ৰজা বিছাগামৰ সৌজন্যত স্কটিছ উদ্যোগী ৰবাৰ্ট ব্ৰুছে অসমত চাহৰ সন্ধান পাইছিল। অসমৰ চাহৰ আদিভূমি এই ঠাই পৰিভ্ৰমণ কৰিবলৈ অহা জাপানী গৱেষকৰ দলটো অসম চাহ পৰ্যটন উদ্যোগৰ প্ৰচাৰত ড° প্ৰদীপ বৰুৱাই সহযোগ কৰে। গৱেষকসকলে জনগোষ্ঠীটোৱে ২০০ বছৰৰ আগেয়ে কেনেকৈ হাতেৰে চাহ প্ৰস্তুত কৰিছিল সেই বিষয়ে আলোচনা কৰাৰ লগতে বৰ্তমান জনগোষ্ঠীটোৰ মাজত চাহ ব্যৱহাৰ সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০০০

কেন্দ্ৰত শাসনাধিস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন  এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰাৰ দিশে অগ্ৰসৰ হৈছে। সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ ভাৰতে বিগত দশকত উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ টা বছৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আজি দেশৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ দ্বাৰা ভাৰতীয় সভ্যতাৰ গৌৰৱ পুনৰুদ্ধাৰ সন্দৰ্ভত আলোকপাত কৰা হ'ব।

বিগত দশকটোত ভাৰতৰ সাংস্কৃতিক যাত্ৰা এটা দৃষ্টিনন্দন আল্পনাৰ দৰে ৰঙীণ, পৰম্পৰাক প্ৰতিফলিত কৰা আৰু বিশ্বমুখী আছিল। হাম্পিৰ প্ৰাচীন মন্দিৰৰ পৰা ধ্ৰুপদী সংগীত আৰু নৃত্যৰ প্ৰচলিত পৰম্পৰাক চৰকাৰে নতুন ৰূপত পুনৰুজ্জীৱিত কৰি তুলিছে। অযোধ্যাৰ ৰাম মন্দিৰ জনসাধাৰণৰ ঐতিহাসিক অভিলাষ পূৰণ কৰি দেশৰ বিশ্বাস আৰু ৰাষ্ট্ৰীয় একতাৰ অনন্য প্ৰতীক  হিচাপে পৰিগণিত হৈছে। তদুপৰি বাৰানসীৰ কাশী বিশ্বনাথ ধাম কৰিড'ৰ প্ৰকল্পই কাশী বিশ্বনাথ মন্দিৰক পৱিত্ৰ গংগা নৈৰ সৈতে সংযুক্ত কৰি তীৰ্থ যাত্ৰীসকলক অভিনৱ অভিজ্ঞতাৰ স্বাদ দিছে। পাঁচ হাজাৰ কোটি টকা আৱণ্টন কৰা স্বদেশ দৰ্শন আঁচনিয়ে দেশত ৭৬টা প্ৰকল্প ৰূপায়ণেৰে পৰিবহণ আন্তঃগাঁথনিৰ বিস্তৰ ৰূপান্তৰ সাধন কৰিছে। একেদৰে হৃদয় আঁচনিৰ অধীনত ১২ খন ঐতিহ্য নগৰীক বিকশাই তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

তিনিচুকীয়া জিলাৰ নিকটৱৰ্তী অৰুণাচলৰ সীমান্তত এবিধ বিৰল প্ৰজাতিৰ পখিলাৰ সন্ধান পোৱা গৈছে। ইউথেলিয়া মালাকানা নামকৰণ কৰা পখিলাবিধৰ সংযোজনে ভাৰতত পোৱা পখিলাৰ প্ৰজাতি সৰ্বমুঠ

এহেজাৰ ৩২৮ লৈ বৃদ্ধি কৰিলে। আৰক্ষী জোৱান ৰৌচন উপাধ্যায়ৰ প্ৰচেষ্টাত পখিলাৰ এই প্ৰজাতিটোৰ প্ৰায় ১০০ বছৰৰ পাছত পুনৰ সন্ধান পোৱা গৈছে। জৈৱ বৈচিত্ৰত পখিলাৰ গুৰুত্ব আৰু তাৎপৰ্য সন্দৰ্ভত বিতংকৈ জনাবলৈ এয়া আমাৰ মাজত গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যাপক আৰু বিশিষ্ট পৰিৱেশবিদ ডং জিণ্টু শৰ্মা –

বাইট

০০০০০০০

আপোনালোকৰ বাবে তেওঁলোকৰ কণ্ঠ হয়তো সুপৰিচিত। কিন্তু আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো তেওঁলোকৰ এটা নিজস্ব পৰিচয় আছে। এনে কেইগৰাকীমান বাতৰি পঢ়োতাৰ ভিন্ন পৰিচয় আগবঢ়োৱা হ'ব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ অহা ৭ জুনৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশকে।

০০০০০০

ভাৰতৰ চিৰাগ ছেট্টি আৰু সাত্বিক সাইৰাজ ৰণকীৰেড্ডীৰ যুটীটো ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি মালয়েছিয়াৰ মান ৱেই ছং আৰু টি কাই ৱনৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে চিৰাগ আৰু সাত্বিক সাইৰাজৰ যুটীটোৱে জাকাৰ্টাত অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ ৰাচমছ কেজৰ আৰু ফ্ৰেড্ৰিক ছোগাৰ্ডৰ যুটীটোক ২-১ গেমত পৰাস্ত কৰে। মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু থাইলেণ্ডৰ পোৰ্ণপাৱি চোছুৱঙৰ হাতত ১-২ গেমত পৰাভূত হয়। একেদৰে মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ ম্যু মাৎসুমোটো আৰু যুকি ফুকুছিমাৰ হাতত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০০০

বছৰৰ প্ৰথমটো বানত ৰাজ্যখনৰ ২১খনকৈ জিলাৰ ৬ লাখ ৭৯ হাজাৰতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীয়ে অসমৰ বান পৰিস্থিতিৰ খবৰ লৈছে যদিও যোৱাটো বৰ্ষৰ বান সাহায্যৰ এটকাও কেন্দ্ৰই মোকলাই দিয়া নাই। এই সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতে বাতৰি প্ৰকাশ কৰিছে।

অসমত থকা নদীবান্ধসমূহৰ পৰা কেৱল বিদ্যুৎ উৎপাদনতহে গুৰুত্ব দিয়া হৈছে বাবে বাৰিষাৰ সময়ছোৱাত বান্ধৰ অতিৰিক্ত পানীয়ে ৰাজ্যখনত দুৰ্যোগৰ সৃষ্টি কৰি আহিছে। এই সন্দৰ্ভত দৈনিক অসম কাকতে **বহুমুখী নোহোৱা বাবে বাৰিষা নদীবান্ধৰ পানীৰ তাণ্ডৱ** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনত ১২খন দেশৰ  নাগৰিকৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ লগতে ৭খন দেশৰ ভ্ৰমণকাৰীৰ ক্ষেত্ৰতো অতিৰিক্ত নিয়ন্ত্ৰণ বলবৎ কৰিছে। আমেৰিকাত পুনৰ মুছলমান নিষেধাজ্ঞা শিৰোনামেৰে দৈনিক জনমভূমি কাকতে বাতৰি প্ৰকাশ কৰিছে।

কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ নদ-নদীসমূহ ফেনে-ফোটোকাৰে বঢ়াৰ লগতে পথাৰ সমাৰতো বাঢ়নী পানী উপচি পৰিছে। ফলত গোৱালপাৰা জিলাৰ একেখন ঘৰৰে তিনিগৰাকী কন্যা পথাৰত মাছ মাৰিবলৈ গৈ দ' পানীত পৰি সলিল সমাধি ঘটে। এই বাতৰি আমাৰ অসম কাকতৰ।

প্ৰকৃতি তথা জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই কাৰ্বি আংলঙত বনজ সম্পদ ধ্বংস যজ্ঞ অব্যাহত আছে। এই বাতৰি প্ৰকাশ কৰি দৈনিক অগ্ৰদূত কাকতৰ শিৰোনাম ন্যায়ালয়ক উলংঘা কৰি তুলিৰামৰ খনন।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্ৰহ্মপুত্ৰ-বৰাক উপত্যকাত থকা থলুৱা মুছলমানসকলে খিলঞ্জীয়া জাতিৰ স্বীকৃতি লাভ কৰাৰ দাবী কৰিছে। এই সন্দৰ্ভত অসমীয়া খবৰ কাকতৰ বাতৰিৰ শিৰোনাম লোকপিয়লত গণনা হ'ব থলুৱা মুছলমানৰ।

গুৱাহাটীৰ কৃত্ৰিম বানৰ মূল কাৰণ হিচাপে দেখা দিয়া মেঘালয়ৰ পাহাৰ খননক লৈ এইবাৰ তদন্ত হ'ব। এই ক্ষেত্ৰত অসম চৰকাৰক সহযোগ কৰাৰ বাবে মেঘালয় চৰকাৰে প্ৰতিশ্ৰুতি দিছে। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ।

অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত দা ছেণ্টিনেল কাকতে বৰাক ভেলী কণ্টিনিউজ টু ৰীল, ডেথ ট'ল ১৬ শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যত বন ধবংসৰ কাৰ্যকলাপ কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে নিৰীক্ষণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ বাতৰিৰ শিৰোনাম পোৰ্টেল টু ট্ৰেক আছাম ফৰেষ্ট লছ্ ইন ৰিয়েল টাইম শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**